অসম চৰকাৰ
কৃষি বিভাগ

# অসম মিলেট মিছন

**ক্ষুদ্ৰ মিলেটৰ বাবে বৃহৎ অভিযান**



মিলেটৰ গুৰুত্ব পুনৰ প্ৰচলন কৰিবৰ বাবে অহা ৭ বছৰৰ বাবে (২০২২-২০২৯) অসম মিলেট মিছনৰ ৰূপায়ণ আৰম্ভ কৰা হৈছে। ২০২২ চনৰ ১৬ নৱেম্বৰ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে শুভাৰম্ভ কৰা এই অভিযানৰ লক্ষ্যসমূহ হ'লঃ

- মানৱ দেহৰ পৰিপুষ্টিত অৰিহণা যোগোৱা
- কৃষকৰ আয় বৃদ্ধি
- মিলেট শস্যৰ উৎপাদন বৃদ্ধি
- শস্যৰ ভিন্নতা বৃদ্ধিত অৰিহণা

**মিলেটৰ স্থানীয় উৎপাদন আৰু খাদ্য হিচাপে স্থানীয়ভাৱে গ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্যৰে এই অভিযান আৰম্ভ কৰা হৈছে।**

**মুখ্য শস্যঃ**
- মৰুৱা ধান (ফিংগাৰ মিলেট)
- কাউন (ফক্সটেইল মিলেট)
- চীনা ধান (প্ৰচ' মিলেট)

অসম মিলেট মিছনৰ বাবে বাছনি কৰা অসমৰ জিলাসমূহ




**জিলাসমূহ:** সদ্যহতে এই অভিযানে সামৰি লোৱা জিলা ১৫ খন হ'ল বাক্সা, বৰপেটা, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কামৰূপ (গ্ৰাম্য), কাৰ্বি আংলং, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, তিনিচুকীয়া আৰু ওদালগুৰি।

**বিভাগসমূহ:**
- কৃষি বিভাগ
- প্ৰাথমিক শিক্ষা বিভাগ
- সমাজ কল্যাণ বিভাগ



**হিতাধিকাৰীঃ** উৎপাদন, শস্য চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ আৰু বিপণন কাৰ্যকলাপেৰে কৃষক, কৃষক উৎপাদক গোট (এফ. পি. চি.), উদ্যোগীসকল তথা আত্মসহায়ক গোটসমূহক উপকৃত কৰা হ'ব, লগতে ৰাজ্যৰ পৰিপুষ্টি কাৰ্য্যক্ৰমত মিলেট অন্তৰ্ভুক্ত কৰি গৰ্ভৱতী মহিলা, স্তনপান কৰোৱা মাতৃ, শিশু আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ পুষ্টি বৃদ্ধি কৰা হ'ব।

**অধিক তথ্যৰ বাবে যোগাযোগ কৰকঃ**
ৰাজ্যিক প্ৰকল্প ব্যৱস্থাপনা কেন্দ্ৰ, অসম মিলেট মিছন,
কৃষি সঞ্চালকালয়, খানাপাৰা, গুৱাহাটী-২২
Email: amm.spmu@gmail.com
Toll-free no: +91 18001020338